**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
***--------------------***

১। নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ সৈতে জড়িত বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ বাবে আজি বিয়লি দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ আইন বলৱৎকাৰী সংস্থাসমূহৰ সৈতে এখন বৈঠক আহ্বান কৰিছে।

২। টাইৱানত আজি সংঘটিত ভূমিকম্পত কমেও ৭ গৰাকী লোকৰ প্ৰাণ হানি হোৱাৰ লগতে আন প্ৰায় ৭০০ গৰাকী লোক আহত হয়।

৩। বিশ্ববেংকে চলিত বৰ্ষত ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ হাৰ ৭ দশমিক ৫ শতাংশ হ'বগৈ বুলি পূৰ্বানুমান কৰিছে। ৪। মহাৰাষ্ট্ৰৰ ছত্ৰপতি ছম্ভাজীনগৰ এলেকাত আজি পুৱতি নিশা সংঘটিত এটা অগ্নিকাণ্ডত একেটা পৰিয়ালৰ ৭ জন লোকে প্ৰাণ হেৰুৱায়।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমৰ ডি ৱাই এছ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ সৈতে জড়িত বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ বাবে আজি বিয়লি দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ আইন বলৱৎকাৰী সংস্থাসমূহৰ সৈতে এখন বৈঠকৰ আহ্বান কৰিছে। এই বৈঠকত সামগ্ৰিক আইন শৃংখলা পৰিস্থিতিৰ লগতে অবৈধ কাৰ্যকলাপ প্ৰতিহত কৰা, আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত চোকা দৃষ্টি ৰখা আৰু আইন বিৰুদ্ধ সা-সামগ্ৰী বাজেয়াপ্ত কৰা আদি বিষয়সমূহ গুৰুত্বসহকাৰে আলোচনা কৰা হ'ব। অনলাইন ব্যৱস্থাৰ মাধ্যমেৰে হ'বলগীয়া এই বৈঠকত অসমৰ পৰা ৰাজ্য চৰকাৰৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান আৰু মুখ্য নিৰ্বাচন বিষয়াকে ধৰি শীৰ্ষ পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকিব বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে কালি দেশৰ ৬ খন ৰাজ্যৰ বাবে বিশেষ পৰ্যবেক্ষকক নিযুক্তি দিয়ে। এই ৰাজ্যকেইখনৰ ভিতৰত লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিধানসভা নিৰ্বাচনৰ বাবেও ভোটগ্ৰহণ হ'বলগীয়া অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাৰ লগতে ৭ কোটিৰো অধিক জনসংখ্যাৰ পশ্চিমবংগ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু বিহাৰো অন্তৰ্ভুক্ত হৈছে। আনহাতে নিৰ্বাচন সম্পৰ্কীয় ব্যয়ৰ বিষয়টো চোৰা চিতা কৰাৰ বাবে

নিৰ্বাচন আয়োগে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, তামিলনাডু,  উত্তৰ প্ৰদেশ আৰু ওড়িশাত একোগৰাকী বিশেষ ব্যয় পৰ্যবেক্ষকক নিযুক্তি দিছে।

০০০০০০০

টাইৱানত আজি সংঘটিত এটা ভূঁইকঁপৰ ঘটনাত কমেও ৭ গৰাকী লোকৰ প্ৰাণ হানি হোৱাৰ লগতে আন প্ৰায় ৭০০ গৰাকী লোক আহত হয়। এই বাতৰি যুগুতোৱাৰ পৰলৈ ভূমিকম্পৰ কবলত পৰা অঞ্চলসমূহত ভালেমান লোক আবদ্ধ হৈ পৰা বুলি দেশখনৰ প্ৰশাসনে প্ৰকাশ কৰিছে। দেশখনৰ পূব উপকূলত সংঘটিত ৰিখটাৰ স্কেলৰ ৭ দশমিক ৪ প্ৰাবল্যৰ এই ভূমিকম্পৰ ফলত অঞ্চলটোত ছুনামিৰ আশংকা প্ৰকাশ পাইছে। টাইৱানৰ হুৱালিয়েন মহানগৰীৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ দক্ষিণে ভূ-গৰ্ভৰ ৩৪ দশমিক ৮ কিলোমিটাৰ গভীৰতাত এই ভূমিকম্পৰ অভিকেন্দ্ৰ ঠাৱৰ কৰা হৈছে। টাইপেইৰ ছিছম'ল'জী চেণ্টাৰৰ সঞ্চালক ৱু চিয়েন ফুৱে প্ৰকাশ কৰা মতে টাইৱানৰ সমগ্ৰ উপকূলীয় অঞ্চলত অনুভূত হোৱা এই ভূমিকম্পটো বিগত ২৫ টা বছৰৰ ভিতৰত সবাতোকৈ শক্তিশালী আছিল। ভূমিকম্পৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ প্ৰাথমিক তথ্য অনুসৰি হুৱালিয়েন অঞ্চলৰ কেইবাটাও ভৱনৰ অংশবিশেষ ভাগি পৰাৰ লগতে আন ভালেমান ভৱন বিপজ্জনকভাৱে হাউলি পৰিছে।

এই ভূমিকম্পৰ ফলত জাপানতো ছুনামি সম্পৰ্কীয় সতৰ্কতা জাৰি কৰা হৈছে। বাতৰিত প্ৰকাশ পোৱা মতে জাপানৰ সময় অনুসৰি আজি পুৱা প্ৰায় ৯ বাজি ১৮ মিনিটত য়'নাগুণী দ্বীপত ৩০ ছেণ্টিমিটাৰ উচ্চতাৰ ছুনামি পৰিলক্ষিত হয়। এনে প্ৰেক্ষাপটত পৰৱৰ্তী সময়ত মিয়াকোজিমা আৰু ওকিনাৱা দ্বীপকে ধৰি কোনো কোনো ঠাইত ৩ মিটাৰ পৰ্যন্ত উচ্চতাৰ ঢৌ আহিব পাৰে বুলি দেশখনৰ বতৰ বিজ্ঞানৰ সৈতে জড়িত সংস্থাই স্থানীয় বাসিন্দাসকলক সতৰ্ক কৰি দিছে। একেদৰে ফিলিপাইনছতো ছুনামি সম্পৰ্কীয় সতৰ্কতা জাৰি কৰা হৈছে। আনহাতে চীনৰ দক্ষিণ-পূব অঞ্চলৰ ফুজিয়ান প্ৰদেশৰ ঠায়ে ঠায়ে আজি ভূমিকম্প অনুভূত হোৱা বুলি দেশখনৰ সংবাদ মাধ্যমত প্ৰকাশ পাইছে।

ইপিনে টাইৱানত সংঘটিত ভূমিকম্পৰ পৰিপ্ৰেক্ষিতত সহায়- সাহায্য তথা প্ৰয়োজনীয় তথ্যৰ বাবে ভাৰত-টাইপেই সংস্থাই জৰুৰী হেল্পলাইন নম্বৰৰ ব্যৱস্থা কৰিছে। এইক্ষেত্ৰত সংশ্লিষ্ট লোকসকলে  09052-47906 ফোন নম্বৰত যোগাযোগ কৰাৰ লগতে ad.ita@mea.gov.in. ই-মেইল আই ডি ব্যৱহাৰ কৰিব পাৰিব। একে সময়তে টাইৱানত বসবাস কৰি থকা ভাৰতীয় নাগৰিকসকলক সংশ্লিষ্ট এলেকাসমূহৰ স্থানীয় কৰ্তৃপক্ষই প্ৰকাশ কৰা নীতি-নিৰ্দেশনা তথা পৰামৰ্শসমূহ মানি চলিবলৈকো সংস্থাটোৱে অনুৰোধ জনাইছে।

০০০০০০০

বিশ্ববেংকে চলিত বৰ্ষত ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ হাৰ ৭ দশমিক ৫ শতাংশ হ'বগৈ বুলি পূৰ্বানুমান কৰিছে।

বিশ্ব বেংকৰ শেহতীয়া দক্ষিণ এছিয়া উন্নয়নমূলক প্ৰতিবেদন মতে ২০২৪ চনত সামগ্ৰিকভাৱে দক্ষিণ এছিয়াৰ অৰ্থনৈতিক বিকাশ  ৬ শতাংশলৈ বৃদ্ধি পাইছে। ইয়াৰ মূলতে হৈছে ভাৰতৰ উন্নয়ন আৰু পাকিস্তান তথা শ্ৰীলংকাৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি।

প্ৰতিবেদন অনুসৰি ৬ দশমিক ১ শতাংশ বৃদ্ধিৰ হাৰেৰে ২০২৫ চনত দক্ষিণ এছিয়া বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি হোৱা অৰ্থনৈতিক অঞ্চলৰূপে পৰিগণিত হোৱাৰ থল আছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড০ এল মুৰুগানৰ লগতে ৰাজ্যসভাৰ আন ১১ জন নৱ নিৰ্বাচিত সাংসদে আজি শপতগ্ৰহণ কৰে। উপ ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে সংসদ ভৱনত তেওঁলোকক শপত বাক্য পাঠ কৰোৱায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰ্টুগীজ গণৰাজ্যৰ প্ৰধানমন্ত্ৰীৰূপে নিৰ্বাচিত হোৱা লুইছ মণ্টেনগ্ৰ'ক অভিনন্দন জনাইছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা পোষ্টৰ জৰিয়তে শ্ৰীমোদীয়ে আদি কয় যে, ভাৰত আৰু পৰ্টুগালৰ দ্বিপাক্ষিক সম্বন্ধ শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে একেলগে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

কংগ্ৰেছ নেতা তথা ৱাইনাড সংসদীয় সমষ্টিৰ সাংসদ ৰাহুল গান্ধীয়ে আজি সমষ্টিটোৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব। এল ডি এফৰ প্ৰক্ষেপিত প্ৰাৰ্থী চি পি আইৰ এন্নী ৰাজায়েও আজি মনোনয়ন দাখিল কৰিব। আনহাতে এন ডি এৰ প্ৰাৰ্থী তথা বিজেপিৰ ৰাজ্যিক সভাপতিয়ে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। সমষ্টিটোত ইউ ডি এফ, এল ডি এফ আৰু এন ডি এৰ প্ৰাৰ্থীৰ মাজত তৃকোণীয়া যুঁজ হোৱাৰ সম্ভাৱনা আছে। কেৰালাত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন এই মাহৰ ২৬ তাৰিখে অনুষ্ঠিত হ'ব। মনোনয়ন পত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন। আনহাতে পৰহিলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষণ কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন এই মাহৰ ৮ তাৰিখ।

০০০০০০০

মহাৰাষ্ট্ৰৰ ছত্ৰপতি ছম্ভাজীনগৰ এলেকাত আজি পুৱতি নিশা সংঘটিত এটা অগ্নিকাণ্ডত একেটা পৰিয়ালৰ ৭ জন লোকে প্ৰাণ হেৰুৱায়। পুৱতি নিশা প্ৰায় ৩ বজাত এটা তিনিমহলীয়া ভৱনত সংঘটিত এই দুৰ্ভাগ্যজনক ঘটনাটোত প্ৰাণ হেৰুওৱা লোকসকলৰ মাজত পৰিয়ালটোৰ তিনিগৰাকী মহিলা আৰু দুটি শিশুও আছিল। ঘটনাটোৰ পাছত মৃতদেহকেইটা চৰকাৰী চিকিৎসালয়লৈ লৈ যোৱা হয়। এই অগ্নিকাণ্ডৰ কাৰণ সন্দৰ্ভত আৰক্ষীয়ে সম্প্ৰতি অনুসন্ধান চলাই আছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ২০ মিনিটত দৃষ্টিপাত লোকনিৰ্ণয় ২০২৪ অনুষ্ঠানত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠানটো ৰাজ্যখনৰ আকাশবাণীৰ আটাইকেইটা কেন্দ্ৰই একে সময়তে প্ৰচাৰ কৰিব।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ এন চি ই আৰ টিয়ে প্ৰকাশ কৰিছে যে বিদ্যালয়ৰ পাঠ্যপুথিসমূহ সময়মতে যোগান ধৰাৰ বাবে পৰিষদে সকলো প্ৰকাৰৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে। পৰিষদে সকলো ছাত্ৰ-ছাত্ৰীক আৰু অভিভাৱকসকলক ধৈৰ্য ধৰাৰ লগতে ভয় নাখাবলৈ অনুৰোধ জনাইছে। উল্লেখযোগ্য যে বহু ৰাজ্যত পৰিষদৰ কিতাপ উপলব্ধ নোহোৱা পৰিস্থিতিত এন চি ই আৰ টি কৰ্তৃপক্ষই এনেদৰে সঁহাৰি জনাইছে।

০০০০০০০

সমাগত গ্ৰীষ্মৰ সময়ছোৱাত দেশৰ, বিশেষকৈ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চললৈ পৰ্যটকৰ আগমণৰ হাৰ বৃদ্ধি পাব বুলি প্ৰকাশ পোৱা এটা বাতৰিয়ে অঞ্চলটোৰ পৰ্যটন খণ্ডৰ বাবে আশাৰ সঞ্চাৰ কৰিছে। দেশৰ আগশাৰীৰ

পৰ্যটন সংস্থা **ট্ৰেভেল এজেণ্ট এছ'চিয়েচন অৱ ইণ্ডিয়া**ৰ তথ্যত প্ৰকাশ পোৱা মতে, দেশৰ বিভিন্ন স্থানৰ বহুকেইখন পৰ্যটনস্থলীৰ বাবে বুকিঙৰ হাৰ সম্প্ৰতি বৃদ্ধি পাইছে। এনেদৰে আগতীয়া বুকিং হোৱা পৰ্যটনস্থলীসমূহৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন পৰ্যটনস্থলী অন্যতম হিচাপে বিবেচিত হৈছে বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। আনহাতে, এনে স্থানসমূহৰ ভিতৰত মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ সৰ্বাধিকসংখ্যক পৰ্যটনস্থলীৰ বাবে আগতীয়া বুকিং সম্পন্ন হোৱা বুলিও তথ্যত প্ৰকাশ পাইছে।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমৰ ডি ৱাই এছ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooooo

সমাপ্ত